# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 07-02-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহৰ নৱজাগৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পলাশবাৰীৰ আগছিয়া-মাজিৰ গাঁৱত পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। পি এম শ্ৰী আঁচনিৰ অধীনত এই বিদ্যালয়খন ৰাষ্ট্ৰীয় আদৰ্শ উৎকৰ্ষতা বিদ্যালয়লৈ উন্নীত কৰা হ'ব। ইয়াৰ জৰিয়তে বিদ্যালয়খনৰ সামগ্ৰিক বিকাশ সাধন কৰি সকলো শৈক্ষিক প্ৰত্যাহ্বান অতিক্ৰম কৰিব পৰাকৈ গঢ়ি তোলা হ'ব। তদুপৰি এই আদৰ্শ বিদ্যালয়খনে অঞ্চলটোৰ একাধিক বিদ্যালয়ক শৈক্ষিক উৎকৰ্ষৰ ক্ষেত্ৰত পথ প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে চৰকাৰে ৰাজ্যৰ প্ৰায় ৫০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় নতুনকৈ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। ইতিমধ্যে বহু কেইখন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্যও সম্পূৰ্ণ হৈ উঠিছে।

০০০০

গুণগত শিক্ষাৰ মান নিশ্চিতকৰণৰ উদ্দেশ্যে যোৱা ৪ ফেব্ৰুৱাৰীত আৰম্ভ হোৱা গুণোৎসৱৰ তৃতীয় পৰ্যায়ৰ আজি সামৰণি পৰে। এই পৰ্যায়ত ৰাজ্যৰ ১০ খন জিলাৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ক সামৰি লোৱা হৈছিল। নলবাৰী জিলাৰ অভ্যাসন বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই বহিঃমূল্যায়ক হিচাপে অংশগ্ৰহণ কৰে। এই পৰ্যায়ত জিলাখনৰ এহেজাৰ ৬৫ খন বিদ্যালয়ৰ ৮৭ হাজাৰ ৪৯৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হয়। বিভিন্ন বিভাগৰ ৪৭৩ গৰাকী বহিঃমূল্যায়কে জিলাখনৰ বিভিন্ন বিদ্যালয়ত গুণোৎসৱত ভাগ লয়।

গোৱালপাৰা জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ শিক্ষাখণ্ডৰ এহেজাৰ ৫৭৪ খন বিদ্যালয়ত তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন চৰকাৰী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ৬৩ হাজাৰ ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ৬৭৬ গৰাকী বহিঃমূল্যায়কে গুণগত মান নিৰ্ণয় কৰে।

তৃতীয় পৰ্যায়ত ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত গুণোৎসৱ অনুষ্ঠিত হয়। মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰে।

০০০০

২০১০-১১ বৰ্ষত পৰ্যটন বিভাগৰ নিযুক্তি কেলেংকাৰীৰ ঘটনা সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে আজি গুৱাহাটীৰ পল্টনবজাৰৰ পৰ্যটন সঞ্চালকালয়ৰ কাৰ্যালয়ত অভিযান চলায়। তদাৰকি কোষে নিযুক্তি কেলেংকাৰীৰ তথ্য বিচাৰি পুৰণি ফাইলৰ সন্ধান কৰাৰ লগতে সংশ্লিষ্ট বিষয়াক সোধাপোছা কৰে। উল্লেখযোগ্য যে, ২০১০-১১ চনত কংগ্ৰেছ চৰকাৰৰ আমোলত কেইবাগৰাকীও প্ৰাৰ্থীক অবৈধভাৱে নিযুক্তি দিয়া বুলি উত্থাপিত অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰী তদাৰকী কোষে তৎপৰতাৰে তদন্ত আৰম্ভ কৰে।তদাৰকি কোষে এই সময়ছোৱাত নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলকো তদন্তৰ আওতালৈ অনাৰ সম্ভাৱনা আছে।

০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্ৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত ৩ দিনীয়া ভাৰত বোধ সন্মিলন মুকলি কৰে। ভাৰতৰ চহকী সভ্যতা সংস্কৃতিৰ গভীৰ অধ্যয়ন তথা বিশ্বৰ শৈক্ষিক ক্ষেত্ৰত ইয়াৰ অৱদানৰ বিষয়ে পৰ্যালোচনা কৰিবলৈ দেশৰ কেইবাটাও আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠানে এই সন্মিলনৰ আয়োজন কৰিছে। অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে জ্ঞানৰ নিৰবধি কেন্দ্ৰৰূপে ভাৰতৰ ভূমিকাৰ ওপৰত আলোকপাত কৰি কয়, যে দেশৰ প্ৰজ্ঞা সম্পৰ্কিত পৰম্পৰাই সমগ্ৰ বিশ্বকে প্ৰভাৱিত কৰিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০

অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰিছে। লগতে তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে, ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশ কৰিছিল।

ইপিনে মহিলাৰ একক আৰ্চাৰীত টুটুমণি বড়ো আৰু আৰ্চাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১০ ফেব্ৰুৱাৰীত **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভিন্ন বৃত্তিৰ বিশিষ্ট ব্যক্তিসকলে নিজৰ অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ সৈতে বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ইউ টিউব চেনেল আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব।

০০০০

সমাপ্ত